
সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা
Under CSR Support by
ipca | Foundation
সপ্তম শ্রেণীৰ পাঠ্যপুথি
সমাজ বিজ্ঞান
(দ্বিতীয় ভাগ)
ভূগোল
পাঠ - ৬
মানৱসৃষ্ট পৰিৱেশ আৰু মানৱ সম্পদ
অংশ – ৩
জ্যোতি দাস

শিকনৰ ফলাফল

- সমাজৰ উন্নয়নত মানৱ সম্পদৰ ভূমিকাৰ বিষয়ে জানিম।
- মানব সম্পদৰ উন্নয়নৰ বাবে আৰ্থ সামাজিক দিশৰ গুৰুত্ব বুজিম।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



সমাজৰ উন্নয়নত মানৱ সম্পদৰ ভূমিকা
(Role of human resource towards social development)

- মানুহৰ বিভিন্ন কাম-কাজে মানৱ সভ্যতাৰ উত্তৰণ ঘটাইছে।
- মানুহে উদ্ভাৱন কৰা বিভিন্ন সা-সামগ্ৰীয়ে আমাৰ জীৱন-ধাৰণৰ মান উন্নত কৰি তুলিছে।

- আমাৰ সভ্যতা অতি দ্ৰুতগতিত আগবাঢ়িছে

—



- ছপা যন্ত্ৰ
- কম্পিউটাৰ
- মোবাইল
- কৃত্ৰিম উপগ্ৰহ
- কৃত্ৰিম বুদ্ধিমত্তা

- পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নে সমগ্ৰ বিশ্বক এখন বিশ্বব্যাপী গাঁওলৈ ৰূপান্তৰিত কৰিছে।
- মানৱ সম্পদেৰে সমৃদ্ধ জাতিসমূহ সাধাৰণতে সকলো দিশতে উন্নত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



জাপান

- প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত জাপান ইমান চহকী নহ'লেও তাত কাৰিকৰীভাৱে দক্ষ আৰু উচ্চ শিক্ষিত লোকৰ অভাৱ নাই।
- তেওঁলোক জাতিৰ মানৱ সম্পদ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



জাপান

- অন্য দেশৰ পৰা আমদানি কৰা কেঁচামালৰ ব্যৱহাৰ কৰি জাপানৰ মানৱ সম্পদে জাতিটোক বিশ্বৰ অন্যতম ঔদ্যোগিক, উন্নত আৰু ধনী দেশ হিচাপে পৰিগণিত কৰিবলৈ সক্ষম কৰিছে।

মানৱ সম্পদৰ উন্নয়ন
(Human Resource Development)

- দেশৰ নাগৰিকসকলক উন্নত মানৰ জীৱন নির্বাহৰ কাৰণে প্রয়োজনীয় শিক্ষা প্রদান কৰি মানৱ সম্পদৰ উন্নয়ন কৰা হয়।
- ইয়াৰ উপৰি আর্থ-সামাজিক দিশসমূহত গুৰুত্ব প্রদানেৰে মানৱ সম্পদ উন্নয়ন কৰিব পাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

আৰ্থ-সামাজিক দিশবোৰ হৈছে —

- জনসংখ্যা
- খাদ্য
- বাসস্থান
- শিক্ষা
- কৰ্মসংস্থান
- জনস্বাস্থ্য



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জনসংখ্যা —

- জনসংখ্যা বৃদ্ধি হোৱা মানে মানৱ সম্পদ বৃদ্ধি হোৱাটো নুবুজায়।
- দেশৰ বৰ্ধিত জনসংখ্যাক উৎপাদনমুখী কামৰ কাৰণে যোগ্য কৰি তুলিব পাৰিলেহে মানৱ সম্পদৰ উন্নতি ঘটে।

খাদ্য —

- শাৰীৰিক আৰু মানসিকভাৱে শ্ৰম কৰিব পৰাকৈ সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো দৰকাৰ।
- ইয়াৰ বাবে নাগৰিকসকলৰ বাবে সুষম আহাৰৰ ব্যৱস্থা কৰাটো নিত্যান্তই প্ৰয়োজনীয়।

বাসস্থান —

- স্বাস্থ্যসম্মত বাসস্থানৰ লগতে চৌপাশৰ পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ ব্যৱস্থা কৰাটো প্ৰয়োজনীয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



শিক্ষা —

- যি শিক্ষাই বাস্তৱ জীৱনত সন্মুখীন হোৱা সমস্যাবোৰ সমাধান কৰাত সহায় কৰে তেনে ধৰণৰ গুণগত শিক্ষাৰ ব্যৱস্থা কৰা।
- বৃত্তিমূলক শিক্ষাৰ জৰিয়তে আত্মনির্ভৰশীল কৰি তোলা আৰু পৰিচালন শিক্ষাৰ জৰিয়তে দক্ষতা বৃদ্ধিৰ ব্যৱস্থা কৰা।



কর্মসংস্থান —

- কর্মসংস্থানৰ সুবিধা দিয়াৰ জৰিয়তে উৎপাদনমুখী কার্যত জড়িত কৰাৰ ব্যৱস্থা কৰা। নিবনুৱা সমস্যা ৰোধ কৰা।

জনস্বাস্থ্য —

- দেশৰ সকলো ব্যক্তিক সু-স্বাস্থ্যবান কৰি ৰাখিবলৈ পুষ্টিকৰ খাদ্য, চিকিৎসা সেৱাৰ প্রসাৰ, বিশুদ্ধ খোৱা পানীৰ যোগান, নিয়মিত যোগ-প্রাণায়ম আৰু ব্যায়ামৰ ব্যৱস্থা কৰা।

- দেশত গুণগত আৰু পৰিমাণগত হিচাপত মানৱ সম্পদ থাকিলে, সেই দেশ মানৱ সম্পদত আত্মনির্ভৰশীল হৈ উঠে।
- বৰ্তমান আমাৰ দেশত মানৱ সম্পদ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে।
- দেশৰ কেন্দ্ৰীয় চৰকাৰে গঠন কৰা 'শিক্ষা মন্ত্ৰণালয়'য়ে এই বিষয়টো চোৱা-চিতা কৰে।
- মানৱ সম্পদ উন্নয়নৰ কাৰণে চৰকাৰে কেতবোৰ লক্ষ্য নির্ধাৰণ কৰিছে।

- মুঠ ৰাষ্ট্ৰীয় আয় বৃদ্ধি কৰা।
- দৰিদ্ৰতাৰ অনুপাত হ্ৰাস কৰা।
- নিয়োগ বৃদ্ধিৰ ব্যৱস্থা কৰা।
- ল'ৰা-ছোৱালীৰ বাবে গুণগত প্ৰাথমিক শিক্ষা নিশ্চিত কৰা।
- দেশত জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস কৰা।
- সাক্ষৰতা, আয় আৰু সামাজিক ন্যায়ৰ বেলিকা লিংগ বৈষম্য দূৰ কৰা।

- শিশু আৰু মাতৃৰ অকাল মৃত্যুৰ হাৰ হ্ৰাস কৰা।
- বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা।
- স্বাস্থ্যকৰ পৰিৱেশ আৰু দুখীয়া শ্ৰেণীৰ বাবে বাসগৃহৰ ব্যৱস্থা কৰা।





- এই লক্ষ্যসমূহৰ ৰূপায়ণৰ যোগেদি দেশৰ ব্যক্তিক মানৱ সম্পদলৈ উন্নীত কৰিব পাৰি।
- কল্যাণকামী কেতবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানেও মানৱ সম্পদ উন্নয়নত অৰিহণা যোগাই আহিছে।
  - বেংক
  - উত্তৰ-পূব পৰিষদ (North Eastern Council)



- উত্তৰ-পূবৰ বিত্তীয় নিগম (North-East Financial Corporation)
- আত্মসহায়ক গোট (Self Help Group)

মূল্যায়ন





1 | ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে দেশৰ মানব সম্পদ..... উন্নয়নৰ দিশটো চোৱা চিতা কৰে ।

মূল্যায়ন



2 | আৰ্থ সামাজিক দিশ এটাৰ উদাহৰণ দিয়া -



শিক্ষা

বাসস্থান

মূল্যায়ন



3 | উত্তৰ – পূৰ পৰিষদে মানৰ সম্পদ উন্নয়নত অৰিহনা যোগাইছে ।



ক শুদ্ধ

খ অশুদ্ধ